

গাওঁ

১

ঠগাত থৈ পুথি পঢ়ে
শুন্ শুন্ শুন্ ,
ঢাৰিত বহি মইনাই
কৰে থুন্ থুন্।

মাখিয়ে কৰে ভুন্ ভুন্ ,
ভোমোৰাই কৰে গুণ্ গুণ্।

বৰষুণ পৰে ঝৰ্ ঝৰ্ ,
ডালিমীয়ে কৰে খৰ্ ধৰ্।
তিতি বুৰি থক্ থক্ ,
দুৱাৰত কৰে টক্ টক্।

➤ পদ্যটোত থকা অনুকাৰ শব্দবোৰত ◯ চিন দিওঁ।

অৰ্হতা ঃ অনুকাৰ শব্দ চিনাক্ত কৰিব পাৰিব।



অনুকাৰ শব্দ

কোনো বস্তু বা প্ৰাণীয়ে কোনো কাৰ্য কৰোঁতে বিশেষ ধৰণৰ ধ্বনি সৃষ্টি কৰে। সেই ধ্বনি অনুকৰণ কৰি কোৱা বা লিখা শব্দবোৰক **ধ্বন্যাত্মক শব্দ** বা **অনুকাৰ শব্দ** বোলে।

➤ **অনুকাৰ শব্দ লিখোঁ**

টিক্ টিক্, টং টং, টোৰ টোৰ, গুণ্ গুণ্, হৰ্ হৰ্,
চিক্ চিক্, গুৰ্ গুৰ্, চিপ্ চিপ্, কা কা, বক্ বক্, টপ্ টপ্

ক) মেঘৰ = গুৰ্ গুৰ্।

খ) কাউৰীৰ =

গ) ঘড়ীৰ =

ঘ) বতাহৰ =

ঙ) চিকাৰ =

চ) বৰহুণৰ -

ছ) ভোমোৰাৰ =

জ) জেঠীৰ =

ঝ) ভেকুলীৰ =

ঞ) পানী উতলাৰ =

ট) গছৰ পাতৰ পৰা পানী পৰোঁতে =

অৰ্হতা ঃ অনুকাৰ শব্দ ব্যৱহাৰ কৰিব পাৰিব।

unicef for every child



জতুৱা ঠাঁচ

৩

দুই বা তাতোধিক শব্দ লগ লাগি শব্দকেইটিৰ আচল অৰ্থতকৈ বেলেগ অৰ্থ প্ৰকাশ কৰিলে তাকে **জতুৱা ঠাঁচ** বোলে জতুৱা ঠাঁচৰ ব্যৱহাৰে কথন-ভংগী ৰসাল কৰে আৰু কম কথাত বেছি ভাব প্ৰকাশ কৰিব পাৰি। তলত কেইটামান জতুৱা ঠাঁচ আৰু তাৰ অৰ্থ দাঙি ধৰা হ'ল —

অকালৰ ভাত — বিপদৰ সময়ত পোৱা সহায়

আহে-বেথে — অতি আদৰ কৰি

হাত লৰ — চোৰ স্বভাৱৰ

চকু চৰহা — আনৰ ভাল দেখিব নোৱাৰা

ফুটুকাৰ ফেন — কামত নহা

কাণ বাগৰা — লোকৰ মুখত শুনা

হাত দীঘল — প্ৰভাৱশালী লোক

কপাল ফুলা — ভাগ্য উদয় হোৱা

হাত টান — কৃপণ

মাটি কৰা — নষ্ট কৰা

পেটে-ভাতে — কোনোমতে

গেটি গৰু — মহা মূৰ্খ

➤ **কাৰ্যপত্ৰ - ২ ৰ 'জতুৱাৰ জুটি' কবিতাটো আকৌ এবাৰ পঢ়া।**

অৰ্হতা ঃ জতুৱা ঠাঁচৰ বিষয়ে জানিব।



জতুৱা ঠাঁচৰ লগত অৰ্থ মিলাওঁ

4

জতুৱা ঠাঁচ	অৰ্থ
অকালৰ ভাত	আনৰ ভাল দেখিব নোৱাৰা
আথে-বেথে	লোকৰ মুখত শুনা
হাত লৰ	অতি আদৰ কৰি
চকু চৰহা	কামত নহা
ফুটুকাৰ ফেন	চোৰ স্বভাৱৰ
কাণ বাগৰা	ভাগ্য উদয় হোৱা
হাত দীঘল	বিপদৰ সময়ত পোৱা সহায়
কপাল ফুলা	নষ্ট কৰা
হাত টান	প্ৰভাৱশালী লোক
মাটি কৰা	সম্পূৰ্ণ নিস্তব্ধ হোৱা
পেটে-ভাতে	কৃপণ
গোটা গৰু	কষ্টৰ ওপৰত কষ্ট দিয়া
কাঁহ পৰি জীণ্ যা	কোনোমতে
কটা ঘাত চেঁকা তেল দে	অসম্ভৱ কথা
ধান পকে মানে টুনীৰ মৰণ	মহা মূৰ্খ
গছত গৰু উঠা	প্ৰয়োজনৰ সময়ত নোপোৱা

অৰ্হতা ঃ জতুৱা ঠাঁচ অৰ্থ চিনাক্ত কৰিব পাৰিব।

unicef for every child



জতুৱা ঠাঁচ

৫

➤ তলৰ শব্দকেইটাৰে অৰ্থ প্ৰকাশ হোৱাকৈ বাক্য গঠন কৰোঁ

উদাহৰণ ঃ চকু চৰহা (আনৰ ভাল দেখিব নোৱাৰা লোক) — চকু চৰহা লোকক কোনেও ভাল নাপায়।

হাত দীঘল ঃ ....

....

কপাল ফুলা ঃ ....

....

হাত টান ঃ ....

....

হাত লৰ ঃ ....

....

পেটে-ভাতে ঃ ....

....

চকু চৰহা ঃ ....

....

অৰ্হতা ঃ জতুৱা খণ্ড বাক্যত ব্যৱহাৰ কৰিব পাৰিব।

unicef for every child



বিশেষ্য পদ

৬

যিবোৰ পদ বা শব্দই মানুহ নাম, ঠাইৰ নাম, অনুষ্ঠানৰ নাম, ভাষাৰ নাম, গুণ বা বৃত্তিৰ নাম, দিন-বাৰ-মাহৰ নাম, জীৱ-জন্তুৰ নাম, উদ্ভিদৰ নাম, বস্তু-বস্তুৰ নাম আদিৰ নাম বুজাই সেইবোৰ পদ বা শব্দকে **বিশেষ্য পদ** বোলা হয়। যেনে -

ৰাম, কলম, কিতাপ, টেবুল, কিতাপ, হাতী, গৰু, দেওবাৰ, জানুৱাৰী, আম, তিতাবৰ

➤ **তলৰ বাক্যবোৰত থকা বিশেষ্য পদবোৰ বিচাৰি লিখোঁ**

ক) অনন্ত যোৰহাটলৈ যাব।

উদাহৰণ - অনন্ত, যোৰহাট

খ) কাজিৰঙা এশিঙীয়া গঁড়ৰ বাবে বিখ্যাত।

....।

গ) কাজিৰঙা গোলাঘাট জিলাত আছে।

....।

ঘ) কাজিৰঙাত গঁড়ৰ লগতে বাঘ, হৰিণ, ম'হ আদি জন্তুও আছে।

....।

ঙ) কাজিৰঙালৈ বহু পৰ্যটক আহে।

....।

চ) এশিঙীয়া গঁড় আমাৰ গৌৰৱ।

....।

অৰ্হতা ঃ বিশেষ্য পদ চিনাক্ত কৰিব পাৰিব।

unicef for every child



বিশেষণ পদ

আমাৰ ফুলনিখন ধুনীয়া।

ওপৰৰ বাক্যটোত "ধুনীয়া" শব্দটোৱে "ফুলনি" পদটোৰ গুণ বুজাইছে এনেদৰে যি পদ বা শব্দই আন পদ বা শব্দৰ দোষ-গুণ বুজোৱা পদকে **বিশেষণ** পদ বোলা হয়

যেনে— দীঘল, চুটি, ৰঙা, ধুনীয়া, ওখ, চাপৰ, কুৎসিত, চেঙা, বোয়া আদি।

➤ তলৰ বাকচত দিয়া শব্দবোৰৰ পৰা দোষ-গুণ বুজোৱা শব্দবোৰ লিখোঁ ।

পঢ়োঁ, দীঘল, চুটি, ধুনীয়া, ওখ, বগা, শকত, ক্ষীণ, ৰাজু, কিতাপ, কলম, যোৰহাট, ব্ৰহ্মপুত্ৰ, হাঁহ, পাৰ, নীলা, ৰঙা, কুৎসিত, চেঙা, গৰিষ্ঠ

....

....

....

....

....

অৰ্হতা ঃ বিশেষণ পদ চিনাক্ত কৰিব পাৰিব।



সৰ্বনাম পদ

৮

➤ **তলৰ টোকাটো পঢ়োঁ। তলত আঁচ টনা শব্দকেইটা মন কৰোঁ**

কমল আৰু আমিনাই বল খেলি আছিল।

তেওঁলোকৰ খেলি খেলি ভাগৰ লাগিল।

অৰুণো তেওঁলোকৰ লগত খেলিবলৈ আহিল।

সি লগত আম আনিছিল।

আমিনাই লগত অমিতা লৈ আহিছিল।

তাই ঘৰত অমিতা গছ আছে

কমল আৰু আমিনা	—	তেওঁলোক
অৰুণ	—	সি
আমিনা	—	তাই

আঁচ টনা শব্দকেইটাক সৰ্বনাম বোলা হয়। এনেদৰে **বিশেষ্য পদৰ সলনি ব্যৱহৃত হোৱা পদকে সৰ্বনাম পদ বোলে।**

একেটা শব্দ বাৰে বাৰে ব্যৱহাৰ কৰি থাকিলে শুনিবলৈ শুৱলা নহয়। সেইকাৰণে বিশেষ্য পদৰ সলনি সৰ্বনাম পদ ব্যৱহাৰ কৰা হয়।

➤ **কেইটামান সৰ্বনাম পদ লিখোঁ**

………… ………… ………… ………… …………

অৰ্হতা ঃ সৰ্বনাম পদ চিনাক্ত কৰিব পাৰিব।

unicef for every child



বিশেষ্য, বিশেষণ আৰু সৰ্বনাম পদ

৯

➤ **খালী ঠাই পূৰ কৰোঁ**

যি শব্দ বা পদে কোনো প্ৰাণী, বস্তু, ঠাই, গুণ, ক্ৰিয়া মানুহ আদিৰ নাম বুজাই সেই পদকে .... বোলে ।

যি শব্দ পদে আন পদৰ (বিশেষ্য পদ) দোষ-গুণ, সংখ্যা, পৰিমাণ আদি বুজায় তাক .... বোলে।

বিশেষ্য পদৰ সলনি ব্যৱহাৰ হোৱা পদকে .... বোলে।

➤ **বাকচৰ পৰা বিশেষ্য,বিশেষণ আৰু সৰ্বনাম পদসমূহ বাচি তলৰ তালিকাত ভৰাওঁ**

কপাহ, ঘৰ, বনৰীয়া, খঁকুৱা, তেওঁ, সি, ভাই, আনন্দ, তৃতীয়
ক্ষীণ, সিহঁত, ঈশ্বৰ, টেঙৰ, মই, প্ৰথম, ওখ, জেঠ, বেজাৰ,
গুৱাহাটী, তুমি, ভাল, ক'লা।

বিশেষ্য	বিশেষণ	সৰ্বনাম

অৰ্হতা ঃ বিশেষ্য, বিশেষণ আৰু সৰ্বনাম পদবোৰ চিনাক্ত কৰিব পৰা ।



ফকৰা যোজনা

বহু পুৰণি কালৰে পৰা মানুহে কথাৰ মাজত ফকৰা যোজনা ব্যৱহাৰ কৰি আহিছে। কেতিয়াবা আমি কিছুমান কথা বুজাবলৈ বহুত বাক্যৰ সহায় ল'ব লগা হয়। কিন্তু একেটা ফকৰা যোজনাৰ সহায়ত আমি একেটা কথাকে বহুত বাক্যৰ পৰিবৰ্তে অনায়াসে বুজাব পাৰো। তদুপৰি ফকৰা যোজনা বা যোজনাৰ ব্যৱহাৰেৰে একেটা অধিক অৰ্থপূৰ্ণ জ্ঞানমূলক বা উপদেশমূলক কথা বুজাব পাৰি। সেয়ে নিজৰ ভাষাত পাৰদৰ্শিতা লাভ কৰিবলৈ হলে প্ৰত্যেক ফকৰা যোজনাৰ অৰ্থ আৰু ভাব জনাটো প্ৰয়োজন।

➤ **তলত কেইটামান ফকৰা যোজনা অৰ্থৰ সৈতে দিয়া হৈছে ঃ**

অতি ভক্তি চোৰৰ লক্ষণ ঃ স্বাভাৱিকতকৈ বেছি ভক্তি পৰায়ণ বুজাবলৈ যেৰাজনৰ অন্তৰত অসৎ ভাব থাকে তেনেলোক দুষ্ট প্ৰকৃতিৰ আৰু চোৰ স্বভাৱৰ হয়।

অধিক মাছত বগলী কণা ঃ কিবা এটাৰ আশাত থকা অৱস্থাত কেতিয়াবা আশা পূৰণৰ বাবে বহুত সুবিধা আহে। সন্মুখত বহু সুযোগ-সুবিধা পাই কোনটো কোনটো ধৰিব, কোনটো এৰিব ভাবত থাকোতেই সকলো সুযোগ হেৰাই যায়। এনেকৈ বিমোৰত পৰি মানুহে আশা পূৰণৰ সিদ্ধান্ত ল'ব নোৱাৰে

উপকাৰীক অজগৰে খায় ঃ পৰৰ উপকাৰ কৰিও কেতিয়াবা বিপদত পৰাৰ আশংকা থাকে। দুষ্ট প্ৰকৃতিৰ লোকক উপকাৰ কৰিলে সি উপকাৰৰ চিন্তা নকৰি তেওঁৰো অপকাৰ কৰিবলৈ সুযোগ বিচাৰি থাকে।

অৰ্হতা ঃ ফকৰা যোজনাৰ বিষয়ে জানিব।



ফকৰা যোজনা

➤ তলৰ ফকৰা যোজনা ভাৰ বহলাই লিখোঁ। (সহায় লৈ)

১) এশ গৰু মাৰিলে বাঘৰো মৰণ ঃ ....

....

....

....

....

২) মিছা কথাৰ ঠেং চুটি ঃ ....

....

....

....

....

৩) বাইজে নখ জোকাৰিলে নৈ বয় ঃ ....

....

....

....

....

অৰ্হতা ঃ ফকৰা যোজনা ব্যৱহাৰ কৰিব পাৰিব।

unicef for every child



সমোচ্চাৰিত শব্দ

১২

অসমীয়া ভাষাত একে উচ্চাৰণৰ বহুত শব্দ পোৱা যায়। শব্দবোৰৰ উচ্চাৰণ একে হ'লেও কিন্তু অৰ্থ আৰু আখৰৰ জোঁটনি বা বেলেগ বেলেগ হয়। এনে একে উচ্চাৰণৰ বিভিন্ন অৰ্থৰ শব্দবোৰক সমোচ্চাৰিত শব্দ বোলে।

তলত কেইটামান উদাহৰণ দিয়া হৈছে

উদাহৰণ ঃ সৰ্ -(ওপৰৰ পৰা পৰ্;খহ্)- গছৰ পকা ফলবোৰ সৰি তলত পৰিছে।

সৰ- (গাখীৰৰ ওপৰত পৰা চামনি)- পগোৱা গাখীৰৰ ওপৰত ডাঠকৈ সৰ পৰিছে।

কল (সুখাদ্য ফল বিশেষ)

কল - (যন্ত্ৰ) -

চিৰা - (সুৰু কৰা ধান ভাজি চেপেটাকৈ খুন্দি উলিওৱা চাউল) -

চিৰা - (ছুঁই, গুটিৰ দীঘলীয়া ভঁৰাল) -

দৈ - (দৈ গাখীৰ) -

দৈ - (বাঁহৰ চেপেটা আৰু মিহি কাঠি) -

আলু - (এবিধ পাচলি) -

আলু - (দাঁতৰ গুৰি) -

কোণ - (চুক) -

কোন - (প্ৰশ্নবোধক শব্দ)

অৰ্হতা ঃ সমোচ্চাৰিত শব্দৰ বিষয়ে জানিব।



সমোচ্চাৰিত শব্দ

১৩

➤ অৰ্থ প্ৰকাশ হোৱাকৈ বাক্য ৰচনা কৰোঁ

উদাহৰণ ঃ সৰ্ -(ওপৰৰ পৰা পৰ্; খহ্)- গছৰ পকা ফলবোৰ সৰি তলত পৰিছে।

সৰ- (গাখীৰৰ ওপৰত পৰা চামনি)- পগোৱা গাখীৰৰ ওপৰত ডাঠকৈ সৰ পৰিছে।

কল - (সুস্বাদু ফল বিশেষ) ঃ ....

....

কল - (যন্ত্ৰ) ঃ ....

....

চিৰা (ফুট কৰা ধান ভাজি চেপেটাকৈ খুন্দি তলিওৱা চতিল) ঃ ....

....

চিৰা - (ছেঁই, গুটিৰ দীঘলীয়া ভঁৰাল) ঃ ....

....

দৈ - (দৈ গাখীৰ) ঃ ....

....

দৈ - (বাঁহৰ চেপেটা আৰু মিহি কাঠি) ঃ ....

....

আলু - (এবিধ পাচলি) ঃ ....

....

আলু - (দাঁতৰ গুৰি) ঃ ....

....

কোণ - (চুক) ঃ ....

....

কোন - (প্ৰশ্নবোধক শব্দ) ঃ ....

....

অৰ্হতা ঃ সমোচ্চাৰিত শব্দ বুজি পাই ব্যৱহাৰ কৰিব পাৰিব।

unicef for every child



১৪

➤ এটা শব্দত প্ৰকাশ কৰোঁ

ক) আনৰ ভাল দেখিব নোৱাৰা লোক — চকু চৰহ', পৰশ্ৰীকাতৰ

খ) যি আনৰ অধীন নহয় —

গ) যি আনৰ অধীন —

ঘ) ধান বোৱা তিৰোতা —

ঙ) গৰু ৰখা ঘৰ —

চ) এবাৰ ফল দি মৰা গছ —

ছ) ধান দেৱা তিৰোতা —

জ) ধান থোৱা ঘৰ —

ঝ) বেছিকৈ কথা কোৱা লোক —

ঞ) ৰোগী চোৱা লোক —

ট) ঘৰত থকা জন্তু —

ঠ) বনত থকা জন্তু —

ড) লোৰ বস্তু গঢ়া মানুহ —

ঢ) মাটিৰ বস্তু গঢ়া মানুহ —

ণ) যি তিৰোতাই কাপোৰ বয় —



➤ ফুটজালিখনত বিভিন্ন আকৃতি সাজোঁ

অৰ্হতা ঃ ফুটজালি ব্যৱহাৰ কৰি বিভিন্ন আকৃতি আঁকিব পাৰিব।



➤ আকৃতিবোৰ সম্পূৰ্ণ কৰোঁ আৰু নামৰ সৈতে মিলাওঁ



ত্ৰিভূজ

ধেনুভিৰীয়া

বৃত্তাকাৰ



বৰ্গাকাৰ



আয়তাকাৰ

অৰ্হতা ঃ বিভিন্ন আকৃতিবোৰ চিনাক্ত কৰিব পাৰিব।



শূণ্যৰ ধাৰণা

০, ১, ২, ৩, ৪, ৫, ৬, ৭, ৮, ৯ - এই গোটেইকেইটা সংখ্যা এটা এটা অংকলশৰীয়া সংখ্যা। অংকলশৰীয়া সংখ্যা হোৱা বাবে এই সংখ্যাকেইটাক একক বা এককৰ ঘৰৰ সংখ্যা বুলি কোৱা হয়।

১০ ৰ পৰা ৯৯ লৈকে সংখ্যাবিলাকত দুটাকৈ সংখ্যা থাকে। উদাহৰণস্বৰূপে ৩৫ সংখ্যাটোকে চাওঁ, ইয়াত ৩ আৰু ৫ দুটা সংখ্যা আছে এই দুটা সংখ্যা মিলি ৩৫(পঁইত্ৰিছ) বুলি কোৱা হয়। ইয়াত ৩ সংখ্যাটোক দহকৰ ঘৰৰ সংখ্যা বুলি কোৱা হয়

১০০ ৰ পৰা ৯৯৯ লৈকে সংখ্যা বিলাকত ৩ টা কৈ সংখ্যা থাকে। ১০০ সংখ্যাটোত ১ টোক বা ৩০৫ সংখ্যাটোত ৩ টোক শতকৰ ঘৰৰ সংখ্যা বুলি কোৱা হয়।

তলত ৩৩৫ সংখ্যাটো দেখুওৱা হৈছে –

	শতক	দহক	একক
একক →			৫
দহক →		৩	০
শতক →	৩	০	০

➤ তলত দিয়া সংখ্যা দুটা একক, দহক আৰু শতক ঘৰৰ সংখ্যা কেইটা লিখোঁ

৫৭২

শতক	দহক	একক

৬০১

শতক	দহক	একক

অৰ্হতা ঃ স্থানীয় মানৰ ধাৰণা বুজিব পাৰিব।



স্থানীয় মানৰ ধাৰণা

➤ স্থানীয় মানৰ ধাৰণা বুজিবলৈ তলৰ উদাহৰণ দুটা মন কৰোঁ

৩২৪



৫০৩



➤ তলত দিয়া সংখ্যাবোৰ স্থানীয় মানত দেখুৱাওঁ

৬১৫



২৫০



৫৭১

অৰ্হতা ঃ সংখ্যাৰ স্থানীয় মান উলিয়াব পাৰিব।



➤ সৰু সৰুকৈ মণিশালা সাজি তলৰ সংখ্যাকেইটা দেখুৱাওঁ

৯৮	৭০	১৬৫
২১৩	১০৬	৮৭
৬৭০	২৩১	৫০০

অৰ্হতা ঃ সংখ্যাৰ স্থানীয় মান উলিয়াব পাৰিব।



➤ তলৰ সংখ্যাকেইটাত আখৰত লিখোঁ

১১২ —

৫০৭ —

২৯০ —

৪৫০ —

৭২ —

৮৩২ —

➤ সংখ্যাকেইটাত লিখোঁ

দুশ দুই —

ছয়শ নৱৈ —

চাৰিশ সাতাইশ —

পাঁচশ আঠাইছ —

এশ তেসত্তৰ —

দুশ বিৰাম্নবৈ —



দহকত গণনা

▶ দহকত গণনা কৰি তলৰ জালীখন পূৰ কৰোঁ

১০				
	১২০			
৩০		২৩০		
			৩৪০	
				৪৫০
			৩৬০	
৭০		২৭০		
	১৮০			
৯০				
	২০০		৪০০	

অৰ্হতা ঃ দহকত গণনা কৰিব পাৰিব।



➤ কাৰ্যকেইটা কৰোঁ

ক) এটা সংখ্যৰে লিখিব পৰা আটাইতকৈ ডাঙৰ সংখ্যাটো আৰু সৰু সংখ্যাটো লিখোঁ।

....

....

খ) দুটা সংখ্যাৰে লিখিব পৰা আটাইতকৈ ডাঙৰ সংখ্যাটো আৰু সৰু সংখ্যাটো লিখোঁ।

....

....

গ) তিনিটা সংখ্যাৰে লিখিব পৰা আটাইতকৈ ডাঙৰ সংখ্যাটো আৰু সৰু সংখ্যাটো লিখোঁ।

....

....

ঘ) দহকৰ আটাইতকৈ সৰু সংখ্যাটো লিখোঁ

....

....

ঙ) শতকৰ আটাইতকৈ ডাঙৰ সংখ্যাটো লিখোঁ।

....

....



➤ কাৰ্যকেইটা কৰোঁ

ক) অনিলৰ ঘৰত ১১৫ টা কুকুৰা আছিল সি বজাৰৰ পৰা আৰু ৩৬ টা কুকুৰা কিনি আনিলে । তাৰ এতিয়া মুঠ কুকুৰা কিমান হ'ল ?

....

....

খ) এখন বাগিছাত ৮২ জোপা আম, ১১০ জোপা জামু আৰু ১৮ জোপা কমলা গছ আছে। বাগিছাখনত মুঠতে কিমান জোপা গছ আছে ?

....

....

গ) এখন বিদ্যালয়ত ১০৫ জন ছাত্ৰ আৰু ৯৮ গৰাকী ছাত্ৰী আছে। বিদ্যালয়খনত মুঠতে কিমান গৰাকী ছাত্ৰ-ছাত্ৰী আছে ?

....

....

ঘ) এটা গোহালিত ৬৫ জনী গাইগৰু, ৪০ বলধ আৰু ২১ টা চেঁউৰি গৰু আছে। গোহালীটোত মুঠতে কিমানটা গৰু আছে ?

....

....

unicef for every child



➤ কাৰ্যকেইটা কৰোঁ

ক) এদিনীয়া শৃংখলাৰ ক্ৰিকেট খেল এখনত ভাৰতে প্ৰথম দিনটোত লাভ কৰা ৰাণসমূহ আছিল এনেধৰণৰ ৰোহিতে ৭০ ৰাণ, বিৰাটে ৯০ ৰাণ আৰু সুৰেশে ১২০ ৰাণ। মুঠতে ভাৰতে কিমান লাভ কৰিলে ?

ৰোহিতৰ — ৭০ ৰাণ

বিৰাটৰ — ৯০ ৰাণ

সুৰেশৰ — ১২০ ৰাণ

মুঠতে ভাৰতে ৰাণ কৰিলে —

খ) এজন কাঠমিস্ত্ৰীয়ে দৈনিক কাম মজুৰি পায় ৩০০ টকা। তেওঁ ছয়দিনত মজুৰি কিমান পাব ?

....

....

....

....

গ) ৰমেনে বজাৰ কৰিবলৈ গৈ দোকান এখনৰ পৰা মচুৰ দাইল এক কেজি ৮০ টকা, মিঠাতেল এক লিটাৰ ১১০ টকা, আলু ২কেজি ৪৬ টকা আৰু চেনী এক কজি ৪২ টকাদি কিনিলে। মুঠতে তেওঁ কিমান টকা খৰছ কৰিলে ?

....

....

....

....



কাৰ্যকেইটা কৰোঁ

অৰ্হতা ঃ

ক) বিতুলৰ বয়স ৪৬ বছৰ। বিতুলৰ পুতেকৰ ১৮ বছৰ। বিতুল পুতেকতকৈ কিমান বছৰ ডাঙৰ ?

....

....

খ) কমলৰ হাতত ৩২০ টকা আছিল। ইয়াৰে ২৮০ টকা খৰছ কৰি সি এটা চোলা কিনিলে। কমলৰ হাতত এতিয়া কেইটকা থাকিল ?

....

....

গ) ৰমেনে বজাৰলৈ ৪৪৫ টা কমলা বেচিবলৈ গৈছিল। ইয়াৰে তেওঁ ১৭৫ টা কমলা বিক্ৰী কৰিলে। ৰমেনৰ কিমানটা কমলা বিক্ৰী কৰিবলৈ থাকিল ?

....

....

ঘ) এখন বিদ্যালয়ৰ মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ১৭৫ গৰাকী। ইয়াৰে ৯৫ গৰাকী ছাত্ৰী হ'লে ছাত্ৰৰ সংখ্যা কিমান ?

....

....



পঢ়োঁ

ভাল অভ্যাসসমূহ

আজি স্কুলত বঁটা বিতৰণী অনুষ্ঠান পাতিছে গোটেই বছৰটোত ভিতৰতে যিগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে সৰহ দিন স্কুললৈ আহিছে আৰু পঢ়া-শুনাৰ লগতে খেল-ধেমালী, নাচ-গান আদিত সকলোতকৈ ভাল ফলাফল দেখুৱাইছে তেওঁক এই বছৰৰ 'বৰ্ষ শ্ৰেষ্ঠ শিক্ষাৰ্থী' বঁটাৰে শুভেচ্ছা জনোৱা হ'ব।

অনিতা চতুৰ্থ শ্ৰেণীত পঢ়ে। তাই বিদ্যালয়লৈ নিয়মীয়াকৈ আহে। তাই যথেষ্ট পৰিপাটি আৰু স্বাস্থ্যৰ প্ৰতি সচেতন। অন্য ছাত্ৰ-ছাত্ৰীৰ দৰে তাই বেমাৰ বা অন্য অজুহাতত কোনো দিন বিদ্যালয়লৈ নহাকৈ থকা নাই। পঢ়া-শুনাৰ লগতে খেল-ধেমালি, নাচ-গানতো তাই বৰ মনোযোগ আৰু আগ্ৰহেৰে অংশগ্ৰহণ কৰে

যোৱা দুবছৰৰ দৰে এইবাৰো অনিতাক বৰ্ষ শ্ৰেষ্ঠ শিক্ষাৰ্থী সন্মান জনোৱা হৈছে। তাই যথেষ্ট উৎফুল্লিত। বিদ্যালয় পৰিচালনা সমিতিয়ে তাইক বঁটা যাচিছে। বিদ্যালয়ৰ প্ৰধান শিক্ষক ছাৰে তাইক তাইৰ এই সফলতাৰ আঁৰৰ কাহিনী ক'বলৈ অনুৰোধ জনালে।

অৰ্হতা ঃ যুক্তাক্ষৰযুক্ত টোকা পঢ়িব পাৰিব।



ছাৰৰ অনুৰোধ ৰাখি মঞ্চত থিয় হৈ ক'বলৈ ধৰিলে – "মাননীয় প্ৰধান শিক্ষক মহোদয় প্ৰমুখ্যে মোৰ অতি শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল আৰু বিদ্যালয় পৰিচালনা সমিতিৰ বিষয়ববীয়া তথা সহপাঠী বন্ধু-বান্ধৱীসকল, মই আজি বহুত সুখী কিয়নো যোৱা দুবছৰৰ দৰে এইবাৰেও মইয়ে বিদ্যালয়ৰ বৰ্ষশ্ৰেষ্ঠ শিক্ষাৰ্থী বঁটা লাভ কৰিছো। ইয়াৰ বাবে মই প্ৰথমে শলাগ ল'ব লাগিব মোৰ ঘৰখনৰ, কিয়নো আমাৰ পৰিয়ালৰ সকলোৱে চাফ্-চিকুণতা আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত গুৰুত্ব দিওঁ। যাৰ বাবে আমি কিছুমান সৰু সুৰা ৰোগৰ পৰা আঁতৰি থাকিব পাৰোঁ। কিছুমান ভাল অভ্যাস যেনে- অনাময় শৌচাগাৰ ব্যৱহাৰ, শৌচ কৰাৰ পাছত চাবোনেৰে হাত-ভৰি ধোৱা, ক'ৰবাৰ পৰা আহি আৰু খোৱাৰ আগত সদায় চাবোনেৰে হাত ধোৱা, মুকলিত থোৱা খাদ্য আৰু খোৱাৰ অনুপযোগী কিছুমান বস্তু যেনে- বাহি আহাৰ, চিপছ্ আদি পেকেট আদি পৰিহাৰ কৰা, হাঁহ-কুকুৰা-গাহৰি আদিৰ গঁৰাল আৰু গোহালি ঘৰৰ পৰা আঁতৰত বনোৱা আদি কিছুমান কথা মানি চলাৰ বাবেই আমি বহুতো বেমাৰৰ পৰা আঁতৰি থকোঁ। ইয়াৰ লগতে সুষম খাদ্য আৰু যথেষ্ট পৰিমাণে বিশুদ্ধ খোৱাপানী খাওঁ। শুৱাৰ সময়ত সদায় আঠুঁৱা তৰোঁ।

এই স্বাস্থ্য বিধিসমূহ যদি মোৰ সহপাঠী বন্ধু-বান্ধৱীসকলে মানি চলে তেনেহ'লে তোমালোকেও এই বঁটা আৰু সন্মান লাভ কৰিবা। ধন্যবাদ।"

কাৰ্য - কি কি অভ্যাসৰ বাবে অনিতাই বেমাৰ-আজাৰৰ পৰা আঁতৰত থাকিব পাৰিছিল ?

....

....

....

....

....

অৰ্হতা ঃ আমি পালন কৰিবলগীয়া স্বাস্থ্য বিধিসমূহৰ বিষয়ে জানিব।



➤ টোকাটোত থকা যুৰিয়া শব্দ কেইটা বিচাৰি লিখোঁ।

....

....

....

➤ অভিধান চাই তলৰ শব্দকেইটাৰ অৰ্থ বিচাৰি লিখোঁ।

শ্ৰদ্ধা ঃ

পৰিপাটি ঃ

উৎফুল্লিত ঃ

শ্ৰেষ্ঠ ঃ

সচেতন ঃ

অভ্যাস ঃ

পৰিহাৰ ঃ

অনুপযোগী ঃ

বিশুদ্ধ ঃ

সহপাঠী ঃ

অৰ্হতা ঃ যুৰিয়া শব্দ চিনাক্ত কৰিব পাৰিব আৰু অভিধান চাবলৈ শিকিব।

unicef for every child



কাৰ্যকেইটা কৰোঁ

▶ বিপৰীত অৰ্থ বুজোৱা শব্দ লিখোঁ

সফল	....	দিন	....
পৰিষ্কাৰ	....	সুখী	....
বন্ধু	....	সন্মান	....
পৰিপাটি	....	অনুপযোগী	....
ভাল	....	মনোযোগ	....
শিক্ষক -	....	নিৰমীয়া -	....

▶ বাক্য গঠন কৰোঁ

সফল - ....।

পৰিষ্কাৰ - ....।

বন্ধু - ....।

পৰিপাটি - ....।

ভাল - ....।

শিক্ষক - ....।

সন্মান - ....।

নিৰমীয়া - ....

মনোযোগ - ....।

সন্মান - ....।

অইতা ঃ পঢ়ি বুজি পাই পাঠভিত্তিক ক্ৰিয়াকলাপ কৰিব পাৰিব।



➤ অ - যোগ কৰি বিপৰীত অৰ্থ বুজোৱা শব্দ লিখোঁ

অ	নিয়মীয়া	অনিয়মীয়া
	পৰিষ্কাৰ	....
	মনোযোগ	....
	পৰিপাটি	....
	খাদ্য	....
	সন্মান	....
	সচেতন	....

➤ অনু - যোগ কৰি নতুন শব্দ গঠন কৰোঁ

অনু	গ্ৰহ	অনুগ্ৰহ
	উপস্থিত	....
	মান	....
	উপযোগী	....
		....
		....
		....

অৰ্হতা ঃ অ - যোগ বিপৰীত অৰ্থ বুজোৱা শব্দ আৰু অনু - যোগ কৰি নতুন শব্দ গঠন কৰিব পাৰিব।

unicef for every child



ফুলপাহ চাইছোঁ।

ফুলপাহ ভাল লাগিছে।

ফুলপাহৰ গোন্ধ নাই ।

ওপৰৰ প্ৰথম বাক্য শাৰীত চাইছোঁ পদটোৱে চোৱা কাৰ্যটো বুজাইছে। সেইদৰে দ্বিতীয় বাক্য শাৰীৰ লাগিছে পদটোৱে ভাল লগা কাৰ্যটো হোৱা বুজাইছে আৰু তৃতীয় বাক্য শাৰীৰ নাই পদটোৱে ফুলপাহৰ যে গোন্ধ নাই তাক বুজাইছে। এনেদৰে যিবোৰ পদে কোনো কাম কৰা, হোৱা বা নোহোৱা বুজায় তাক **ক্ৰিয়া পদ** বুলি কোৱা হয়

➤ **তলৰ বাক্যৰ পৰা ক্ৰিয়াপদ বাচি আনি বাক্যকেইশাৰী সম্পূৰ্ণ কৰোঁ**

কৰোঁ, থাকোঁ, পায়, সাঁতোৰে, যাব, আছে

১) মই কাম ....।

২) যদুৱে কিতাপ পঢ়ি ভাল ....।

৩) গাড়ীৰ চকা ....।

৪) মই ঘৰত ....।

৫) বাজু কাইলৈ যোৰহাটলৈ ....।

৬) বমেনে নদীত ....।

অৰ্হতা ঃ ক্ৰিয়া পদ চিনাক্ত কৰিব পাৰিব।



ক্ৰিয়া পদৰ ব্যৱহাৰ

➤ শুদ্ধ ক্ৰিয়া পদ ব্যৱহাৰ কৰি বাক্যটো সম্পূৰ্ণ কৰোঁ

উদাহৰণ ঃ মই ভাত খাইছো।

ক) কমলে কিতাপ .... । (পঢ়িছে / পঢ়িছা)

খ) আমিনাই গান .... । (গাইছো / গাইছে)

গ) ৰাজুৱে ছবি .... (আঁকিছে / আঁকা)

ঘ) আমি বল .... । (খেলিছে / খেলিছো)

ঙ) তেওঁলোকে মাছ .... । (ধৰিছে / ধৰা)

চ) মই কালিলৈ ফুৰিবলৈ যাম .... । (যাম/গৈছিলোঁ)

ছ) সি সদায় তালৈ .... । (যায়/গৈছিল)

জ) মানুহজনে এতিয়া কাম কৰি .... । (আছিল/আছে)

ঝ) তুমি কেতিয়াবা তাজমহল .... ? (দেখিছানে/দেখিবা)

ঞ) ল'ৰাজন এইমাত্ৰ আহি .... । (পাইছিল/পালে)

অৰ্হতা ঃ বাক্যত সঠিক ক্ৰিয়া পদৰ ব্যৱহাৰ কৰিব পাৰিব।

unicef for every child



তলৰ বাক্যবোৰৰ কাষৰ বন্ধনীৰ ভিতৰত দুটাকৈ শব্দ দিয়া আছে তাৰে এটা বাক্যটোৰ লগত খাপ খায়। বাক্যটো শুদ্ধকৈ নিজৰ বহীত লিখোঁ।

উদাহৰণ - মণিকা কালি স্কুললৈ .... । (আহিব / আহিছিল)

মণিকা কালি স্কুললৈ আহিছিল

ক) মই কাইলৈ গুৱাহাটীলৈ ....। (যাম / গৈছিলোঁ)

খ) সৌৱা চৰাইবোৰ আকাশত ....। (উৰিছে / উৰিছিল)

গ) যোৱাবেলি আমাৰ ইয়াত বানপানী........................ (হ'ব / হৈছিল)

ঘ) আহা, আমি ঘৰলৈ ....। (যাওঁ / গৈছিলোঁ)

ঙ) মই কিতাপ .... । (পঢ়োঁ / পঢ়ে)

চ) তুমি কি ....। (কৰিছে / কৰিছা)

ছ) তেওঁ ধান ....। (দাইছা / দাইছে)

জ) আমি ছবি .... (আঁকিছিলোঁ / আঁকিছিল)

ঝ) তোমালোকে গীত ....। (গাইছিল / গাইছিলা)

ঞ) তেওঁলোকে বল ....। (খেলিছিল / খেলিছিলা)

ট) দেউতা আজি আহি ....। (পাম / পাব)

ঠ) সিহঁতে কাইলৈ চিনেমা ....। (চাব / চাম)

ড) আমি বৰশী .... (বাম / বাব)

অৰ্হতা ঃ বাক্যত সঠিক ক্ৰিয়া পদৰ ব্যৱহাৰ কৰিব পাৰিব।

অব্যয় পদ

কমল আৰু অমিনাই বল খেলি আছিল।

ওপৰৰ "আৰু" শব্দৰ নিচিনা বহুতো শব্দ আছে যিবোৰৰ কোনো পুৰুষ, বচন আৰু বিভক্তিয়েই ৰূপৰ সলনি নহয়।

যেনে এতেকে, বা, নাইবা, অথবা, কিন্তু, অথচ আদি এনে ধৰণৰ শব্দ। এই শব্দবোৰকে অব্যয় পদ বোলা হয় ।

➤ **বাকচত দিয়া অব্যয় পদেৰে তলৰ বাক্যকেইটা সম্পূৰ্ণ কৰোঁ**

এতেকে, গতিকে, নাইবা, যিহেতু, দেখোন, কিন্তু, আৰু, বা

ক) ৰমেন .... বীৰেন দুয়ো ককাই - ভাই ।

খ) পৰিশ্ৰমেই উন্নতিৰ মূল .... পৰিশ্ৰম নকৰা মানুহৰ জীৱনত উন্নতি নাই.

গ) একাপ চাহ .... এগিলাচ গাখীৰ দিয়া ।

ঘ) কলম .... বহী কিবা এটা কিনিব লাগিব ।

ঙ) কাহিনী শুনিও .... ৰস পোৱা যায় ।

চ) মই আজি খেলিবলৈ নাযাওঁ .... কাইলৈ মোৰ পৰীক্ষা আছে ।

অৰ্হতা ঃ অব্যয় পদ চিনাক্ত কৰিব পাৰিব।



এটা বা এজনতকৈ বেছি বুজাবৰ বাবে কিছুমান শব্দ যেনে বোৰ, মখা, বিলাক, জাক, লোক, সকল, হঁত, গণ, মখা, দল, থোক থোপা, পাল আদি ব্যৱহাৰ কৰা হয়। এইদৰে এটা বা এজনতকৈ বেছি বুজোৱা শব্দকে বহুবচন বোলে।

➤ **তলৰ একবচন শব্দবোৰ বহুবচন কৰোঁ**

একবচন		বহুবচন
ছোৱালী	—	ছোৱালীবিলাক
গৰু	—	
ভকত	—	
মানুহ	—	
কল	—	
ফুল	—	
ল'ৰা	—	
শিক্ষক	—	
ছাত্ৰ	—	
চৰাই	—	
ঘৰ	—	
ছবি	—	
হাতী	—	

অৰ্হতা ঃ একবচন আৰু বহুবচন চিনাক্ত কৰিব পাৰিব।

unicef for every child



লিংগ

৩৬

যি চিনৰ দ্বাৰা মতা-মাইকী বা পুৰুষ - স্ত্ৰী শব্দৰ প্ৰভেদ বুজিব পাৰি তাক লিংগ বোলে। লিংগ তিনি প্ৰকাৰৰ – ১) পুং লিংগ, ২) স্ত্ৰী লি লিংগ আৰু ৩) ক্লীৱ লিংগ।

১) পুং লিংগ ঃ যিবোৰ শব্দই পুৰুষ বা মতাক বুজায়, সেইবোৰক পুং লিংগ বোলে।
যেনে - ল'ৰা, ৰজা, পিতা, ষাঁড়, দমৰা, ৰহিম ইত্যাদি।

২) স্ত্ৰী লিংগ ঃ যিবোৰ শব্দই স্ত্ৰী বা মাইকীক বুজায়, সেইবোৰক স্ত্ৰী লিংগ বোলে।
যেনে - ছোৱালী, আই, মাহী, খুড়ী, চেঁউৰী, গাই ইত্যাদি।

৩) ক্লীৱ লিংগ ঃ যিবোৰ শব্দই পুৰুষ স্ত্ৰী একো নুবুজাই কেৱল নিৰ্জীৱ বস্তুক বুজায়, সেইবোৰ শব্দকে ক্লীৱ লিংগ বোলে।
যেনে - ঘৰ, কিতাপ, পেঞ্চিল, মেজ, কাঠ, কাপোৰ ইত্যাদি।

➤ **তলত দিয়া শব্দবোৰৰ বিপৰীত লিংগ লিখোঁ**

পুংলিংগ	স্ত্ৰীলিংগ
বাপেক	মাক
ককায়েক	....
....	ভনীয়েক
পেহাক	....
....	শাহুৱেক
মামা	....
....	খুড়ী

অৰ্হতা ঃ লিংগ চিনাক্ত কৰিব পাৰিব।

unicef for every child

লিংগ

➤ তলৰ শব্দবোৰ লিংগ অনুযায়ী তলৰ বাকছত লিখোঁ

গছ, মা, চকী, কিতাপ, খুড়ী, মামা, পেহী, কলম, মেজ, দেউতা, বৰমা, বল, ছোৱালী, পতি, সভাপতি, ভনী, শহুৰ, ডেকা, শিক্ষয়িত্ৰী, দলং, গাহৰ, আইতা, শাহু, বাইদেউ, ককা, ঘড়ী, দুৱাৰ, দমৰা, বলধ, চৈউৰি, পিতা, ভাই, বান্ধৱী, সখী, কাঠ, বন্ধু, গাভৰু, ৰাণী, ভনী, কলহ, শিক্ষক, দেৱী, ছাত্ৰ, গাড়ী

পুং লিংগ	স্ত্ৰী লিংগ	ক্লীৱ লিংগ
১)	১)	১)
২)	২)	২)
৩)	৩)	৩)
৪)	৪)	৪)
৫)	৫)	৫)
৬)	৬)	৬)
৭)	৭)	৭)
৮)	৮)	৮)
৯)	৯)	৯)
১০)	১০)	১০)

অৰ্হতা ঃ লিংগ চিনাক্ত কৰিব পাৰিব।

unicef
for every child



অনিতাহঁতৰ ঘৰখন

▶ ছবিখন চাই পাঁচটা বাক্য লিখোঁ।

....

....

....

....

....

....

অৰ্হতা ঃ ছবি চাই বৰ্ণনা কৰিব পাৰিব।



জিতুহঁতৰ ঘৰখন

▶ ছবিখন চাই পাঁচটা বাক্য লিখোঁ।

অৰ্হতা ঃ ছবি চাই বৰ্ণনা কৰিব পাৰিব।



➤ ওপৰৰ ছবি দুখনৰ মাজৰ পাঁচটা পাৰ্থক্য বিচাৰি লিখোঁ।

....

....

....

....

....

....

....

....

....

....

অৰ্হতা ঃ পাৰ্থক্য উলিয়াব পাৰিব।

➤ আমি মুকলিত কিয় শৌচ কৰিব নালাগে ছবিখিন চাই নিজৰ কথাৰে লিখোঁ।



....

....

....

....

....

....

অৰ্হতা ঃ নিজৰ কথাৰে লিখিব পাৰিব।



সমাধান কৰোঁ

৪২

 +  +  = x

৪ + ৪ + ৪

+ + + +

৩ + ৩ + ৩ + ৩ +

= x

৩





অৰ্হতা ঃ পূৰণ কৰিব পাৰিব।

unicef for every child



কাৰ্যকেইটা কৰোঁ

➤ খালী ঠাই পূৰ কৰোঁ

৪ X ৩ = ...   ৭ X ৪ = ...

৫ X ৫ - ....   ৪ X ২ - ....

৯ X ৩ = ...   ১২ X ৫ = ...

৬ X ৭ = ...   ১০ X ৫ = ...

➤ খালী ঠাইবোৰ সম্পূৰ্ণ কৰোঁ

৪, ..., ১২, ..., ২০, ..., ..., ৩২,

৩, ৬, ..., ..., ১৫, ..., ২৪, ...,

৬, ..., ১৮, ..., ৩০, ..., ৪২, ...,

৭, ১৪, ২১, ..., ..., ..., ৪৯, ...,



➤ তলৰ সংখ্যাবোৰৰ পুৰণফল কেনেদৰে হৈছে উলিয়াওঁ

৪০

- ৪ X ১০
- ৮ X ৫
- ৫ X ৮
- ২ X ২০
- ১ X ৪০

৮০

- X
- X
- X
- X
- X

৫০

- X
- X
- X
- X
- X



➤ কাৰ্যকেইটা কৰোঁ

ক) এটা মমবাতিৰ পেকেটত ৫ ডাল মমবাতি আছে। তিনিটা মমবাতিৰ পেকেটত কেইডাল মমবাতি থাকিব ?

সমাধান ঃ

খ) আমাৰ দুয়োখন হাতৰ আঙুলি ১০ টা । ৮ জন মানুহৰ দুয়োখন হাতৰ আঙুলি মিলালে কিমান হ'ব ?

সমাধান ঃ

গ) এটা হাতীৰ এডাল শুঁৰ । পাঁচটা হাতীৰ কেইডাল শুঁৰ ?

সমাধান ঃ

ঘ) এটা পেঞ্চিল পেকেটত ১০ ডাল পেঞ্চিল থাকিলে তেনেকুৱা ১৫ টা পেকেটত কিমান ডাল পেঞ্চিল থাকিব ?

সমাধান ঃ

ঙ) আমাৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২৫ জন। প্ৰত্যেককে তিনিটাকৈ চকলেট দিবলৈ কিমানটা চকলেট প্ৰয়োজন হ'ব ?

সমাধান ঃ

unicef for every child



➤ কাৰ্যকেইটা কৰোঁ

ক) আমাৰ শ্ৰেণীকোঠাত মুঠ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ২০ জন। ২০ জন ছাত্ৰ-ছাত্ৰীক যদি ৪ টা দলত সমানে ভাগ কৰা হয় তেতিয়া প্ৰত্যেকটো দলত কেইজনকৈ ছাত্ৰ-ছাত্ৰী থাকিব?

১ ম দল

২ য় দল

৩ য় দল

৪ ৰ্থ দল



কাৰ্যকেইটা কৰোঁ

তলৰ থালখনত ২৪ টা আপেল আছে।



ক) আপেল কেইটা ৮ জন ল'ৰাৰ মাজত সমানে ভাগ কৰিলে গাইপতি কেইটাকৈ আপেল ভাগত পৰিব ?

....

....

....

খ) ২৫ টা মিঠাই ৫ টা বাকচত সমানে ভাগ কৰিলে প্ৰতিটো বাকচত কেইটাকৈ পৰিব ?

....

....

....

গ) ১৮ টা কল ৩ বান্দৰৰ মাজত সমানে ভাগ কৰি দিলে গাইপতি কেইটাকৈ কল ভাগত পৰিব ?

....

....

....

....

অৰ্হতা ঃ সৰল হৰণ কৰিব পাৰিব।



কাৰ্যকেইটা কৰোঁ

জঁপিওৱা জন্তু



এটা ভেকুলীয়ে এবাৰত ২ ফুট জঁপিয়ায় ।

এটা কেংগেৰুৱে এবাৰত ৮ ফুট জঁপিয়ায় ।



এটা চিতা বাঘে এবাৰত ১২ ফুট জঁপিয়ায়

এটা কেৰ্কেটুৱাই এবাৰত ৪ ফুট জঁপিয়ায়।



এটা বান্দৰে এবাৰত ৬ ফুট জঁপিয়ায়।

সিহঁতে ৩৬ ফুট জঁপিয়াই যাবলৈ কোনে কেইবাৰ জঁাপ মাৰিব লাগিব ?

উদাহৰণ ঃ ১) ভেকুলীয়ে (৩৬ ÷ ৪) = ৯ বাৰ জাপ মাৰিব লাগিব ।

২) কেংগেৰুৱে –

৩) চিতা বাঘে

৪) কেৰ্কেটুৱাই –

৫) বান্দৰে –



➤ **কাৰ্যকেইটা কৰোঁ**

(১) ওপৰৰ বিলাহীকেইটা সমানে ভাগ কৰিলে কেইটা ভাগ হ'ব ?

....

....

(২) ৫৮ টা চাউলৰ বস্তা ২ খন ট্ৰাকত সমানে ভাগ কৰিব পাৰিবনে ?

....

....

(৩) ৪৫ কেজি বুটমাহ ৫ জন মানুহৰ মাজত ভাগ কৰিলে এজনে কিমানকৈ পাব ?

....

....

(৪) ৩৯ টা কমলা ১৩ জন মানুহৰ মাজত ভাগ কৰিলে এজনে কেইটাকৈ পাব ?

....

....

(৫) ১১৫ কেজি চাউল ১৫ জন মানুহৰ মাজত ভাগ কৰিলে এজনে কিমানকৈ পাব ?

....

....

unicef for every child



➤ কাৰ্যকেইটা কৰোঁ



এটা বান্দৰে এবাৰত ৬ জোপা গছ জপিয়ায়।

এটা কেৰ্কেটুৱাই এবাৰত ৪ জোপা গছ জপিয়ায়।

(১) ২ টা জাপত বান্দৰে কেইজোপা গছ জপিয়াব ?

....

(২) ৩ টা জাপত কেৰ্কেটুৱাই কেইজোপা গছ জপিয়াব ?

....

(৩) জাপ মাৰি গৈ থাকিলে কোনটো শেষৰ জাপত বান্দৰটো মাটিত পৰিবগৈ ?

....

(৪) ৩৬ নং গছজোপা পাবলৈ কোনে কেইজাপ মাৰিব লাগিব ?

....



কামৰ সৰু বৰ নাই

'ধৰ ধৰ, পৰিৰি, উঠিল, দে দে বল দে' — ঘোঁৰাত উঠি অহা মানুহজনে কথাখিনি শুনি থমকি ৰ'ল। তেওঁ দেখিলে চিপাহী কেইজনমানে কেঁকো-জেকোঁকৈ লোৰ চতি এটা দঙিবলৈ চেষ্টা কৰি আছে। তেওঁলোকে চতিটো খুঁটা এটাৰ মূৰত তুলিব। বৰমূৰীয়া জমাদাৰ চাহাব এজনে আদেশ দি আছে।

ঘোঁৰাত উঠি অহা মানুহজনে কিছুপৰ ঘটনাটো চাই থাকিল। জমাদাৰ চাহাবে আকৌ আদেশ দিলে — "পৰিৰিহঁক, দে বল দে, এই উঠিল।" কিন্তু কি হ'ব, চিপাহী কেইজনৰ শক্তিয়ে আঁটিলেহে তেওঁলোকে চতিটো তুলিবলৈ বাৰে বাৰে চেষ্টা কৰি লেবেজান হৈ পৰিল।

মানুহজনে আৰু চাই থাকিব নোৱাৰিলে। তেওঁ জমাদাৰজনক ক'লে, "চিপাহী কেইজনে চতিটো তুলিব পৰা নাই। আপুনি অলপ হাত উজান দিলেই দেখোন চতিটো ওপৰলৈ উঠে।" মানুহজনৰ কথাত জমাদাৰ চাহাবৰ খঙে চুলিৰ আগ পালেগৈ। তেওঁ হাঁটা মাতেৰে ক'লে, "মই হ'লো বিষয়া, এজন জমাদাৰ, মোৰ কিবা মান সন্মান নাইনে যে মই চিপাহীকেইটাৰ লগত চতিটো দাঙিম? ইহঁতৰ কাম চবলৈহে মোক ৰাখিছে। ইহঁতৰ লগত কাম কৰিবলৈ মোক ৰখা নাই নহয়।" মিচিকীয়া হাঁহিৰে সেই মানুহজনে ক'লে — "মই নাজানিছে তেনেকৈ কৈছিলো জমাদাৰ চাহাব, দয়-দোষ নধৰিব।" এই বুলি কৈ তেওঁ ঘোঁৰাৰ পৰা নামি টুপিটো আৰু চোলাটো সোলোকাই থ'লে। তাৰপাছত চিপাহী কেইজনক চতিটো দঙাত সহায় কৰিলে। মানুহজনৰ এইৰূপ সহায়ৰ বলত চিপাহী কেইজনে চতিটো খুঁটাৰ মূৰত তুলিবলৈ সক্ষম হ'ল।

মানুহজনে টুপিটো আৰু চোলাটো পিন্ধি ঘোঁৰাত উঠি যাবলৈ ওলাল। যাবৰ সময়ত জমাদাৰ চাহাবক ক'লে – "জমাদাৰ চাহাব ! আগলৈ এনেধৰণৰ কাম কৰিবলগীয়া হ'লে মোক মাতিব পাৰে। মই প্ৰধান সেনাপতি হৈও এনেধৰণৰ কাম কৰিবলৈ বেয়া নাপাওঁ। নমস্কাৰ।"

মানুহজনক প্ৰধান সেনাপতি বুলি জানি জমাদাৰ চাহাব সৰগ পৰা মানুহৰ দৰে থৰ হৈ ৰ'ল। তেওঁ বৰ লজ্জিত আৰু শংকিত হ'ল।

কাম কৰিবলৈ কুণ্ঠাবোধ নকৰা এই মহান লোকজন কোন জানানে? তেৱেঁই হ'ল আমেৰিকা যুক্তৰাষ্ট্ৰৰ ভূতপূৰ্ব ৰাষ্ট্ৰপতি জৰ্জ ৱাছিংটন। তেওঁৰ ভেম, অহংকাৰ সমূলি নাছিল। একাগ্ৰতা আৰু কঠোৰ পৰিশ্ৰমৰ বলত তেওঁ ৰাষ্ট্ৰৰ সৰ্বোচ্চ পদ পাইছিলগৈ।

unicef for every child



➤ একে অৰ্থ বুজোৱা শব্দ (সমাৰ্থক শব্দ) টোকাটোৰ পৰা বিচাৰি লিখোঁ।

ক) গধুৰ বস্তুৰ ভৰত বেঁকা হৈ বা কুঁজা হৈ — কেঁকো-জেকোকৈ

খ) যত্ন —

গ) প্ৰধান, মুখিয়াল —

ঘ) কণিষ্টবল, টেকেলা আদি সাধাৰণ কৰ্মচাৰীৰ ওপৰৰ বিষয়া —

ঙ) হুকুম, আজ্ঞা —

চ) ভাগৰত অৱশ হোৱা অৱস্থা —

ছ) টান, কঠোৰ, কৰ্কশ —

জ) লজ্জা বা লাজ অনুভৱ কৰা —

ঝ) ভয়খোৱা, ভীত —

ঞ) সংকোচ —

ট) আগৰ, আগেয়ে থকা —

ঠ) এক শাসনতন্ত্ৰৰ অধিনত থকা দেশভাগৰ মুৰব্বী —

ড) ফিতাহি, অহংকাৰ —

ঢ) মনেৰে বা গাৰে /শৰীৰে কৰা যত্ন —

ণ) মৃত্যু —

অৰ্হতা ঃ একে অৰ্থ বুজোৱা (সমাৰ্থক) শব্দ চিনাক্ত কৰিব পাৰিব।



➤ কাৰ্যকেইটা কৰোঁ

ক) তমাদাৰ চাহাব কিয় সবগ পৰা মানুহৰ দৰা, থৰ হল ?

....

খ) কাম কৰিবলৈ কুণ্ঠাবোধ নকৰা মানুহজন কোন ?

....

গ) জৰ্জ ৱাছিংটন কোন আছিল ?

....

ঘ) জৰ্জ ৱাছিংটন কেনে প্ৰকৃতিৰ লোক আছিল ?

....

ঙ) কিহৰ বলত জৰ্জ ৱাছিংটন ৰাষ্ট্ৰৰ সৰ্বোচ্চ পদ পাইছিলগৈ ?

....

➤ তলত দিয়া শব্দবোৰৰ অৰ্থ জানি লৈ বাক্য গঠন কৰোঁ

একাগ্ৰতা ঃ ....

অহংকাৰ ঃ ....

সৰগ পৰা ঃ ....

হাত উজান দিয়া ঃ ....

লেবেজান ঃ ....

খঙে চুলিৰ আগ পোৱা ঃ ....

অৰ্হতা ঃ পঢ়ি বুজি পাই পাঠভিত্তিক কাৰ্য কৰিব পাৰিব।



➤ একে অৰ্থৰ শব্দ লিখি বাক্য গঠন কৰোঁ।

নিশা,	শ্বেত,	বাৰ্তা,	পঢ়াশালি,	পুথি,
বিদ্যালয়,	ৰাত্ৰি,	শুভ্ৰ,	পুস্তক,	পদুলি।

বাট
.... ঃ ....
.... ঃ ....

স্কুল
.... ঃ ....
.... ঃ ....

ৰাতি
.... ঃ ....
.... ঃ ....

বগা
.... ঃ ....
.... ঃ ....

কিতাপ
.... ঃ ....
.... ঃ ....

অৰ্হতা ঃ বাক্যভেদে একে অৰ্থ বুজোৱা শব্দ ব্যৱহাৰ কৰিব পাৰিব।

unicef for every child



বাক্যৰ বিভিন্ন প্ৰকাৰ

৫৫

আমি ইতিমধ্যে সৰল, যৌগিক, জটিল আৰু মিশ্ৰ বাক্য হিচাপে পাইছো। তদুপৰি ভাব অনুসৰিও বাক্য বিভিন্ন প্ৰকাৰৰ আছে। যেনে, "গ্ৰন্থমেলাত কিবা নতুন কিতাপ কিনিছা নেকি?" এই বাক্যটোত প্ৰশ্ন সোধা হৈছে। গতিকে এনে বাক্যক **প্ৰশ্নবোধক বাক্য** বোলে। প্ৰশ্নবোধক বাক্যবোৰত কি, কিয়, নে, নেকি আদি প্ৰয়োগ কৰা হয় যদিও এনে অব্যয় প্ৰয়োগ নহ'লেও বাক্যৰ সুৰ, লহৰৰ ভিত্তিত প্ৰশ্নবোধক হ'ব পাৰে। যেনে, তুমি যাবালৈ ওলালা?

আদেশ, অনুজ্ঞা, অনুৰোধ, উপদেশ, আদি বুজোৱা বাক্যক অনুজ্ঞাসূচক বাক্য বোলে । যেনে –

(ক) আপুনি এবাৰ নহাকৈ নাথাকে যেন।

(খ) দৰবটো দিনে তিনিবাৰকৈ খাবা।

সেইদৰে **আৱেগ, উৎকণ্ঠা, বিস্ময়, বিতৃষ্ণা, ঘৃণা বা আনন্দোল্লাস প্ৰকাশ কৰা বাক্যক ভাবাবেগসূচক বাক্য বোলে** যেনে –

(ক) আঃ কি চমৎকাৰ!

(খ) আইঐ লেহি! তোমাৰ আজি এই দশা!

ইতিবাচক বাক্যক সদৰ্থক বাক্য বোলে । সেইদৰে নাই, নহয় বুজোৱা বাক্যক নঞৰ্থক বাক্য বোলে । যেনে –

(ক) মোৰ এটা কলম আছে । **(সদৰ্থক)**

(খ) মোৰ হাতৰ আখৰ সুন্দৰ নহয় । (নঞৰ্থক)

সন্দেহ, অনিশ্চয় আদি ভাব প্ৰকাশ কৰা বাক্যক অনিশ্চয়াৰ্থক বাক্য বোলে । যেনে –

(ক) তেওঁ জানো ঘূৰি আহিব ?

(খ) তাক্তৰজন যদি ঠিক সময়ত পালেহিহেঁতেন!

অৰ্হতা ঃ বাক্যৰ বিভিন্ন প্ৰকাৰ সম্পৰ্কে জানিব।



বাক্যৰ বিভিন্ন প্ৰকাৰ

➤ তলত দিয়া বাক্যসমূহ পঢ়োঁ আৰু কোনটো কি প্ৰকাৰৰ বাক্য লিখোঁ

উদাহৰণ ঃ সদায় ৰাতিপুৱা খোজ কাঢ়িবা।

অনুজ্ঞাসূচক বাক্য

ক) বা ঃ বা ঃ ইমান সুন্দৰ ছবি !

....।

খ) তেওঁ এই কামটো কৰিব পৰিব জানো।

....।

গ) পঢ়া-শুনাৰ লগতে খেল খেলাটো সমানে লাগতীয়াল।

....।

ঘ) তেওঁলোকৰ ঘৰখন ভাল।

....।

ঙ) তেওঁ কালিলৈ আহি পাবহি জানো।

....।

চ) আহঃ দেহি ! তেওঁ বৰ দুৰ্ভগীয়া !

....।

ছ) মই গান গাব নাজানো।

....।

জ) আমাৰ এখন গাড়ী আছে।

....।

ঝ) তেওঁৰ হাতৰ আখৰ ভাল নহয়।

....।

ঞ) সদায় সৎ সংগত থাকিব লাগে।

....।

অৰ্হতা ঃ বাক্যৰ বিভিন্ন প্ৰকাৰ চিনাক্ত কৰিব পাৰিব।

unicef for every child



বাক্যৰ বিভিন্ন প্ৰকাৰ

ক) এটা অনুজ্ঞাসূচক বাক্য লিখোঁ।

....

....

খ) এটা ভাবাবেগসূচক বাক্য লিখোঁ।

....

....

গ) এটা সদৰ্থক বাক্য লিখোঁ।

....

....

ঘ) এটা নঞৰ্থক বাক্য লিখোঁ।

....

....

ঙ) এটা অনিশ্চয়াৰ্থক বাক্য লিখোঁ।

....

....

অৰ্হতা ঃ বিভিন্ন প্ৰকাৰৰ বাক্য লিখিব পাৰিব।

unicef for every child



নিৰ্দিষ্টবাচক প্ৰত্যয়

৫৮

কোনো বস্তুৰ আকৃতি, প্ৰকৃতি, লিংগ আদি বুজাবলৈ শব্দৰ পাছত কিছুমান শব্দ যোগ কৰা হয়। যিবোৰ শব্দই মূল শব্দৰ পাছত যোগ হৈ কোনো বস্তু বা প্ৰাণীৰ আকৃতি, প্ৰকৃতি, লিংগ আদি নিৰ্দিষ্টকৈ বুজায় সেইবোৰ শব্দকে **নিৰ্দিষ্টবাচক প্ৰত্যয়** বা শব্দ বোলে।

যেনে – এই ফুলপাহ বৰ ধুনীয়া।

ইয়াত ফুলৰ পাছত থকা **পাহ** শব্দ বা প্ৰত্যয়টোৱে **নিৰ্দিষ্টবাচক প্ৰত্যয়** বা শব্দ। এই পাহ প্ৰত্যয় বা শব্দটোৱে আন বহু ফুলৰ মাজত এপাহ নিৰ্দিষ্ট ফুলৰ কথা কৈছে বা বুজাইছে।

এনে আন কিছুমান নিৰ্দিষ্টবাচক প্ৰত্যয়ৰ বিষয় তলত আলোচনা কৰা হৈছে –

ক্ষুদ্ৰাৰ্থ বা অতি সৰু বস্তু বুজাবলৈ — কণ-কণি, খন-খনি আদি। যেনে - গাখীৰকণ, কাপোৰখনি ইত্যাদি।

দীঘল সৰু বস্তু বুজাবলৈ — কোছা, টাঁৰ, টাঁৰি। যেনে - চুলিকোচা।

চেপেটা পাতল বস্তু বুজাবলৈ — খিলা। যেনে - পাতখিলা, কাগজখিলা।

পুংলিংগ, স্ত্ৰী লিংগ উভয়কে বুজাবলৈ গৰাকী, জন, জনা, টো আৰু জনী স্ত্ৰীক বুজাবলৈ ব্যৱহাৰ কৰা হয়। মহাপুৰুষ গৰাকী, মহিলা গৰাকী, সাহিত্যিক গৰাকী, শিক্ষকজন, ল'ৰাটো, ছোৱালীজনী ইত্যাদি।

দীঘল, বহল আৰু পাতল বস্তুক বুজাবলৈ পটি। যেনে বঠাপটি, চেঙেলপটি।

অসমীয়া ভাষাত কিছুমান বহুবচন বুজাবলৈও নিৰ্দিষ্টবাচক প্ৰত্যয় আছে। যেনে কল আবি, কল থোক, ধানৰ মুঠি, আঙুৰ থোপা ইত্যাদি।

অৰ্হতা ঃ নিৰ্দিষ্টবাচক প্ৰত্যয় সম্পৰ্কে জানিব।

unicef for every child



নিৰ্দিষ্টবাচক প্ৰত্যয়

৫৯

➤ তলত দিয়া শব্দবোৰৰ লগত কি প্ৰত্যয় যোগ কৰিলে শুদ্ধ হ'ব লিখোঁ।

শিক্ষক ....

শিক্ষয়িত্ৰী ....

পাত ....

ফুল ....

ধান ....

আঙুৰ ....

বঠা ....

কাঁড় ....

টুলি ....

কল ....

চেঙেল ....

কিতাপ ....

মহিলা ....

ছোৱালী ....

ল'ৰা ....

সাহিত্যিক ....

অৰ্হতা ঃ শব্দত নিৰ্দিষ্টবাচক প্ৰত্যয় ব্যৱহাৰ কৰিব পাৰিব।

unicef for every child

অনুজ্ঞা আৰু বিভক্তি

আদেশ বা অনুৰোধ বুজাবলৈ ক্ৰিয়াৰ যি ৰূপ ব্যৱহাৰ কৰা হয় তাক অনুজ্ঞা বোলে। অনুজ্ঞাৰ দুই পুৰুষ - দ্বিতীয় পুৰুষ আৰু তৃতীয় পুৰুষ; তৰ কাল দুটা, নিত্য বৰ্তমান কাল আৰু ভৱিষ্যত কাল

কাল আৰু পুৰুষ অনুসাৰে ওপৰৰ ক্ৰিয়া পদকেইটাত কেনেদৰে বিভক্তি যোগ হৈছে চাওঁ -

কাল	দ্বিতীয় পুৰুষ		তৃতীয় পুৰুষ
	তুচ্ছাৰ্থত বা অনাদৰ অৰ্থত তই, তহঁত	আদৰ অৰ্থত তুমি তোমালোক	সি, আপুনি, তেখেত
নিত্য বৰ্তমান কাল	অ	আ	অক বা ওক
আৰু ভৱিষ্যত কাল	ইবি	ইবা	ইব

কাল	দ্বিতীয় পুৰুষ		তৃতীয় পুৰুষ
	তুচ্ছাৰ্থত বা অনাদৰ অৰ্থত	আদৰ অৰ্থত	
নিত্য বৰ্তমান কাল	ল, খ, ক, হ	লোৱা, খোৱা, কোৰা, হোৱা	লওঁক, হওঁক, ৰওঁক, কওঁক
ভৱিষ্যত কাল	ল'বি, খবি, ক'বি, হ'বি	ল'বা, খাবা, ক'বা, হ'বা	ল'ব, খা'ব, ক'ব, হ'ব

অৰ্হতা ঃ অনুজ্ঞা আৰু বিভক্তিৰ বিষয়ে জানিব।



জোখ - মাখ

➤ কোন ডাল পেঞ্চিল কিমান দীঘল জোখ লওঁ









অৰ্হতা ঃ বস্তুৰ দৈৰ্ঘ্যৰ জোখ ল'ব পাৰিব।



জোখ - মাখ

➤ স্কেলেৰে জোখ লওঁ আৰু খালী ঠাই পূৰ কৰোঁ



ক) মোৰ বন্ধুজনৰ দৈৰ্ঘ্য .... ছেন্টিমিটাৰ।

খ) মোৰ কিতাপখনৰ .... ছেন্টিমিটাৰ।

গ) মোৰ স্কেল পাত .... ছেন্টিমিটাৰ দীঘল।

ঘ) মই পঢ়া টেবুলখনৰ দৈৰ্ঘ্য .... ছেন্টিমিটাৰ।

ঙ) ইটা এচপৰাৰ দৈৰ্ঘ্য .... ছেন্টিমিটাৰ।

➤ স্কেল,মিটাৰ টেপৰ সহায়ত আমি বিভিন্ন ধৰণৰ বস্তুৰ জোখ লওঁ ঃ

১০ মিলিমিটাৰে	১ ছেন্টিমিটাৰ
১০ ছেন্টিমিটাৰে	১ ডেচিমিটাৰ
১০ ডেচিমিটাৰে	১ মিটাৰ
১০ মিটাৰে	১ ডেকামিটাৰ
১ ডেকামিটাৰ	১ হেক্ট'মিটাৰ
১০ হেক্ট'মিটাৰে	১ কিল'মিটাৰ

অৰ্হতা ঃ বিভিন্ন বস্তুৰ দৈঘ্যৰ জোখ উলিয়াব পাৰিব।

unicef
for every child



জোখ - মাখ

এখন বিদ্যালয়ত পতা বছেৰেকীয়া খেল-ধেমালীত দীঘল জাঁপৰ প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰী সকলে তলত দিয়া ধৰণে প্ৰদৰ্শন কৰিছিল

ৰজা —	২ মিটাৰ ২০ ছেন্টিমিটাৰ
বিকাশ —	৩ মিটাৰ ১৫ ছেন্টিমিটাৰ
মনোজ —	১ মিটাৰ ৬০ ছেন্টিমিটাৰ
ৰমেন —	২ মিটাৰ ৪০ ছেন্টিমিটাৰ
পৰাণ —	৩ মিটাৰ ১০ ছেন্টিমিটাৰ

➤ কাৰ্যকেইটা কৰোঁ

১) প্ৰতিযোগিতা খনত প্ৰথম পুৰস্কাৰ কোনে পাব ?

....।

২) প্ৰতিযোগিতাখনত তৃতীয় হোৱা ছাত্ৰ কোনজন ?

....।

৩) ৰাজাতকৈ ৰমেনে কিমান বেছি জঁপিয়ালে ?

....।

৪) পৰাণে বিকাশৰ সমান জঁপিয়াবলৈ হ'লে তাক কিমান জঁপিয়াব লাগিব ?

....।

অৰ্হতা ঃ বিভিন্ন দৈৰ্ঘ্যৰ জোখ উলিয়াব পাৰিব।

unicef for every child

জোখ - মাখ



ক) এখন অয়তাকাৰ খেল পথাৰৰ দীঘ ৩০০ মিটাৰ আৰু প্ৰস্থ ২০০ মিটাৰ হ'লে, খেল পথাৰখনৰ চাৰিসীমাৰ মুঠ দৈৰ্ঘ্য কিমান ?

সমাধান ঃ খেল পথাৰ খনৰ দীঘ = ৩০০ মিটাৰ।
প্ৰস্থ = ২০০ মিটাৰ।
গতিকে,খেল পথাৰখনৰ মুঠ দৈৰ্ঘ্য হ'ব = দীঘ + দীঘ + প্ৰস্থ + প্ৰস্থ
= ৩০০ + ৩০০ + ২০০ + ২০০
= ১০০০ মিটাৰ।
এতেকে খেল পথাৰখনৰ মুঠ দৈৰ্ঘ্য ১০০০ মিটাৰ (১ কিলোমিটাৰ)

খ) এখন খেলপথাৰৰ চাৰিসীমাৰ মুঠ দৈৰ্ঘ্য ১২০০ মিটাৰ। এজন মানুহে খেলপথাৰখন ৩ পাক দৌৰিলে মুঠ কিমান দূৰত্ব অতিক্ৰম কৰিব ?

সমাধান ঃ খেলপথাৰ খনৰ চাৰিসীমাৰ মুঠ দৈৰ্ঘ্য ১২০০ মিটাৰ
মানুহজনে এপাক দৌৰিলে মুঠ দূৰত্ব অতিক্ৰম কৰে – ১২০০ মিটাৰ।
গতিকে মানুহজনে ৩ পাক দৌৰিলে মুঠ দূৰত্ব অতিক্ৰম কৰিব - ১২০০x ৩
= ৩৬০০ মিটাৰ
এতেকে মানুহজনে মুঠ দূৰত্ব অতিক্ৰম কৰিব = ৩৬০০ মিটাৰ
= (৩কিলোমিটাৰ ৬০০ মিটাৰ)।

কাৰ্য ঃ এখন চাহ বাগিচাৰ দৈৰ্ঘ্য ৫০০ মিটাৰ আৰু প্ৰস্থ ৩০০ মিটাৰ হ'লে, বাগিচাখনৰ চাৰিসীমাৰ মুঠ দৈৰ্ঘ্য কিমান ?

....

অৰ্হতা ঃ কালি বা পৰিসীমা উলিয়াব পাৰিব।

unicef for every child



জোখ - মাখ

ফিৰোজে দৰ্জী কাম কৰে তেওঁ মেজত ঢকা কাপোৰ এখনৰ চাৰিওফালে লেচ লগাবলগীয়া হ'ল তাৰ বাবে তেওঁক কিমান মিটাৰ দীঘল লেচৰ প্ৰয়োজন হ'ব ?

ফিৰোজে লেচৰ দৈৰ্ঘ্য উলিয়াবলৈ এইদৰে অংক কৰিছিল –

	১৫০ ছেন্টিমিটাৰ
	১৫০ ছেন্টিমিটাৰ
	৬০ ছেন্টিমিটাৰ
+	৬০ ছেন্টিমিটাৰ
	৪২০ ছেন্টিমিটাৰ

➤ কাৰ্যকেইটা কৰোঁ

ক) তেওঁ যদি এখন ২৫০ ছেন্টিমিটাৰ দীঘল আৰু ১২০ ছেন্টিমিটাৰ বহল এখন পৰ্দাত লেচ লগাবলৈ দিয়া হয় তেন্তে কিমান লেচৰ প্ৰয়োজন হ'ব উলিওৱা ?

....

খ) ৪২০ ছেন্টিমিটাৰত কেইমিটাৰ আৰু কিমান ছেন্টিমিটাৰ ?

....

গ) তেওঁ যদি ৫ মিটাৰ দীঘল লেচৰ নুৰিয়া এটা কিনে তেন্তে কিমান দৈৰ্ঘ্যৰ লেচৰ ব্যৱহাৰ হ'ব আৰু কিমান লেচ বৈ যাব ?

....

অৰ্হতা ঃ কালি বা পৰিসীমা উলিয়াব পাৰিব।



জোখ - মাখ

সুস্বাস্থ্যৰ বাবে ডাক্তৰে দেৱীপ্ৰসাদক প্ৰতিদিনে ২ কিল'মিটাৰকৈ দৌৰিবলৈ ক'লে। তেওঁ ঘৰৰ ওচৰৰে এখন ফুটবলৰ খেলপথাৰ বাছি ল'লে। ফুটবলৰ খেলপথাৰখনৰ চাৰিসীমা আছিল ৪০০ মিটাৰ



➤ **কাৰ্যকেইটা কৰোঁ**

ক) দেৱীপ্ৰসাদে কেইপাক দিলে ২ কিল'মিটাৰ দূৰত্ব সম্পূৰ্ণ কৰিব পাৰিব ?

....

....

খ) এদিনাখন বতৰ ভাল আছিল আৰু এজাক শীতল বতাহ বলি আছিল। তেওঁৰ বৰ ভাল লাগিছিল আৰু সেইবাবে ভাগৰি নপৰাকৈ ৮ পাক লাহে লাহে দৌৰিলে। সেইদিনা তেওঁ .... কিল'মিটাৰ আৰু .... মিটাৰ দৌৰিলে।

অৰ্হতা ঃ কালি বা পৰিসীমা উলিয়াব পাৰিব।



জোখ - মাখ

৬৭

➤ কাৰ্যকেইটা কৰোঁ



ক) এখন আয়তাকাৰ খেলপথাৰৰ দীঘ ২০০ মিটাৰ আৰু প্ৰস্থ ১৫০ মিটাৰ হ'লে খেলপথাৰ খনৰ চাৰিসীমাৰ মুঠ দৈৰ্ঘ্য কিমান ?

....

....

খ) এখন বৰ্গাকাৰ খেলপথাৰৰ দীঘ ৫০০ মিটাৰ হ'লে, এজন মানুহে খেলপথাৰ খন ৩ পক দৌৰিলে মানুহজনে মুঠতে কিমান দূৰত্ব অতিক্ৰম কৰিব ?

....

....

গ) কৰিমৰ উচ্চতা ২৬০ ছেণ্টিমিটাৰ। ৰাণীতকৈ কৰিম দুগুণ ওখ হ'লে ৰাণীৰ উচ্চতা কিমান ?

....

....

অৰ্হতা ঃ কালি বা পৰিসীমা উলিয়াব পাৰিব।

unicef for every child



জোখ - মাখ

➤ তলৰ পাত্ৰবোৰত কিমান লিটাৰ বা মিলিলিটাৰ পানী ধৰিব অনুমান কৰি লিখোঁ।

পাত্ৰ	মোৰ অনুমান

অৰ্হতা ঃ জুলীয়া বস্তুৰ জোখ উলিয়াব পাৰিব ।



জোখ - মাখ

➤ যোগ কৰোঁ

১৪৮ মিলিলিটাৰ + ১৪০ মিলিলিটাৰ =

১৫০ মিলিলিটাৰ + ১৫৫ মিলিলিটাৰ =

১৫০ মিলিলিটাৰ + ২৫০ মিলিলিটাৰ =

৮০ মিলিলিটাৰ + ১৭০ মিলিলিটাৰ =

➤ **বিয়োগ কৰোঁ**

৩১৯ লিটাৰ — ১৯৭ লিটাৰ =

২০০ লিটাৰ — ৯০ লিটাৰ =

১৮০ লিটাৰ — ৪৫ লিটাৰ =

২২০ লিটাৰ — ১১০ লিটাৰ =

২১১ লিটাৰ — ৭৯ লিটাৰ =

অৰ্হতা ঃ লিটাৰ, মিলিলিটাৰত যোগ-বিয়োগ কৰিব পাৰিব।



জোখ - মাখ

➤ লিটাৰৰ পৰা মিলিলিটাৰত প্ৰকাশ কৰোঁ

ক) ১ লিটাৰ = ১০০০ মিলি লিটাৰ

খ) ৩ লিটাৰ = ৩ X ১০০০ মিলি লিটাৰ

= .... মিলি লিটাৰ

গ) ৫ লিটাৰ = ... মিলি লিটাৰ

ঘ) ৮ লিটাৰ = ... মিলি লিটাৰ

ঙ) ১২ লিটাৰ = ... মিলি লিটাৰ

➤ দৈনিক ব্যৱহাৰ হোৱা পানীৰ পৰিমান অনুমান কৰি লৈ তলৰ তালিকাখন পূৰ কৰোঁ

১ লিটাৰতকৈ বেছি পানী ব্যৱহাৰ হোৱা কাম	১ লিটাৰতকৈ কম পানী ব্যৱহাৰ হোৱা কম

অৰ্হতা ঃ জুলীয়া বস্তুৰ জোখ উলিয়াব পাৰিব ।

unicef for every child



➤ ১ লিটাৰ উলিয়াবলৈ বিভিন্ন প্ৰকাৰে যোগ কৰি তলৰ তালিকাখন সম্পূৰ্ণ কৰোঁ





জোখ - মাখ

➤ তলৰ পাত্ৰবোৰত কিমান লিটাৰ পানী ধৰে চাওঁ



(ক) (খ) (গ) (ঘ)

কাষৰ বাল্টিটোত যদি ৪ লিটাৰ পানী ধৰে তেন্তে বাল্টিটো পূৰ কৰিবলৈ

(ক) নং পাত্ৰটোৰে কেইবাৰ ভৰাব লাগিব কোৱা।

....

(খ) নং পাত্ৰটোৰে বাল্টিটো পূৰাবলৈ কেইবাৰ ভৰাব লাগিব ?

....

(গ) নং পাত্ৰটোৰে বাল্টিটো পূৰাবলৈ কেইবাৰ ভৰাব লাগিব ?

....

(ঘ) নং পাত্ৰটোৰে বাল্টিটো পূৰাবলৈ কেইবাৰ ভৰাব লাগিব ?

....

অৰ্হতা ঃ জুলীয়া বস্তুৰ জোখ উলিয়াব পাৰিব।

unicef for every child



ওজন

➤ গধুৰটোত ✔ চিন আৰু পাতলটোত ✘ চিন দিওঁ

গধুৰ	পাতল
ৰঙা লাও	বেঙেনা

গধুৰ	পাতল

গধুৰ	পাতল

গধুৰ	পাতল

গধুৰ	পাতল

গধুৰ	পাতল

অৰ্হতা ঃ বিভিন্ন বস্তুৰ ওজন সম্পৰ্কে জানিব।

unicef for every child



ওজন

➤ উত্তৰ লিখোঁ

১) ১ কিল'গ্ৰাম = ১০০০ গ্ৰাম

২) ২ কিল'গ্ৰাম = গ্ৰাম

৩) ১০০০ গ্ৰামৰ আধা = গ্ৰাম

৪) আধা কিল'গ্ৰাম = গ্ৰাম

৫) ২ কিল'গ্ৰাম + ২ গ্ৰাম = গ্ৰাম

৬) ৫০০ গ্ৰাম + ২০০ গ্ৰাম = গ্ৰাম

১) ১০০০ গ্ৰামে ১ কিল'গ্ৰাম হ'লে ৫০০০ গ্ৰামে কিমান কিল'গ্ৰাম ?

উদাহৰণ – ১০০০ গ্ৰামে ১ কিল'গ্ৰাম

এতেকে ৫০০০ গ্ৰামে (৫০০০ ÷ ১০০০) = ৫

৫০০০ গ্ৰামে ৫ কিল'গ্ৰাম হ'ল।

২) মোহনৰ মোনত ২০০ গ্ৰাম চাহপাত, ২ কিল'গ্ৰাম আলু, ৫০০ গ্ৰাম পিয়াঁজ, ১ কিল'গ্ৰাম মটৰ আৰু ৫ কিল'গ্ৰাম ওজনৰ চাউল সোমাই আছে, মোনাটোত মুঠতে কিমান ওজন আছে ?

....

➤ ৰামুৰ এখন ফলমূলৰ দোকান আছে।

তেওঁৰ দোকানত কিল'গ্ৰাম, ২ কিল'গ্ৰাম আৰু ৫০০ গ্ৰামৰ তিনিটা দগা আছে।

ক) তেওঁ ৪ কিল'গ্ৰাম আপেল জুখিবলৈ হ'লে কেনেকৈ জুখিব ?

....

খ) ১ কিল'গ্ৰাম আপেল জুখিবলৈ তেওঁ কি কি দগা ব্যৱহাৰ কৰিব পাৰিব ?

....

গ) ৩ কিল'গ্ৰাম আপেল জুখিবলৈ হ'লে তেওঁ কেনেকৈ জুখিব ?

....

অৰ্হতা ঃ বিভিন্ন বস্তুৰ ওজন জুখিব পাৰিব।



ওজন

১) তলত এটা ডাকঘৰৰ মূল্য তালিকা দিয়া আছে, তালিকাখন চাই তলৰ প্ৰশ্ন কেইটাৰ উত্তৰ কৰা।

পত্ৰৰ ওজন	মূল্য
২০ গ্ৰাম বা কম ওজনৰ	৫.০০ টকা
প্ৰতি অতিৰিক্ত ২০ গ্ৰাম ওজনৰ	২.০০ টকা

পাৰ্চেলৰ ওজন	মূল্য
৫০ গ্ৰাম বা কম ওজনৰ	৫.০০ টকা
প্ৰতি অতিৰিক্ত ৫০ গ্ৰাম ওজনৰ	৩.০০ টকা

➤ কাৰ্যকেইটা কৰা

ক) ২০ গ্ৰাম ওজনৰ পত্ৰখনত কিমান মূল্যৰ টিকট ল'গাব লাগিব ?

....।

খ) ৫০ গ্ৰাম ওজনৰ পত্ৰখনত কিমান মূল্যৰ টিকট ল'গাব লাগিব ?

....।

গ) ৫০ গ্ৰাম ওজনৰ পাৰ্চেলত কিমান মূল্যৰ টিকট ল'গাব লাগিব ?

....।

ঘ) ২০০ গ্ৰাম ওজনৰ পাৰ্চেলত কিমান মূল্যৰ টিকট ল'গাব লাগিব ?

....।

উদাহৰণ - ক) ২০ গ্ৰাম ওজনৰ পত্ৰখনত ৫.০০ টকা মূল্যৰ টিকট ল'গাব লাগিব।

অৰ্হতা ঃ বিভিন্ন বস্তুৰ ওজন জুখিব পাৰিব।

অৰ্হতা ঃ বিভিন্ন বস্তুৰ ওজন জুখিব পাৰিব।